# ধানৰ প্ৰামাণিকৃত বীজ উৎপাদনেৰে মেৰাপানীৰ কৃষকৰ সফলতা

অৰূপ শাণ্ডিল্য



কেবাবিধো ধানৰ সমূহীয়াভাৱে প্ৰামাণিকৃত বীজ উৎপাদন আৰু বিক্ৰীৰে আনৰ বাবে আদৰ্শ হৈছে গোলাঘাট জিলাৰ মেৰাপানীৰ নিকটৱৰ্তী ৰূপকলীয়াস্থিত ‘চাউদাংপথাৰ কৃষক উৎপাদক কোম্পানী’ (এফ পি চি)ৰ কৃষকসকল। বীজ গাঁৱৰ স্বীকৃতি পোৱা ৰূপকলীয়া আৰু আমগুৰিচুকৰ ৫৫০জন কৃষকে এইবাৰ প্ৰায় ৪,০০০ বিঘা মাটিত খেতি কৰি প্ৰায় ৩,৫০০ মেট্ৰিকটন কেবাবিধো ধানৰ প্ৰামানিকৃত বীজ বিক্ৰী কৰিবলৈ সাজু হৈছে। বীজ বিক্ৰীৰ ক্ষেত্ৰতো তেওঁলোক সমস্যাত পৰা নাই। উল্লেখযোগ্য যে ধানকে ধৰি অন্য শস্যৰ উৎপাদন বৃদ্ধিত প্ৰামাণিকৃত বীজে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। এফ পি চিটোৰ সভাপতি হৰেণ বৰাই কয় — এইবছৰ আমি ৰঞ্জিত চাব-১, বাহাদুৰ চাব-১, নুমলী, বকুল জহা, কেতেকী জহা, আঘোনী বৰা আৰু গীতেশৰ বীজ বিক্ৰী কৰিবলৈ সাজু হৈছো। জহাত বাদে বাকী ধানৰ প্ৰতি কুইন্টলত ২,৫০০ টকাকৈ আৰু জহাৰ ৩,০০০ টকাকৈ বিক্ৰী কৰি আছো। এলাইড ক্ৰপ কেয়াৰৰ হৈ শংকৰাচাৰ্য ৰাভাই বীজখিনি ক্ৰয় কৰি বিপণনত সহায় কৰিছে কৃষকসকলক। অসম ধান গবেষণা প্ৰতিষ্ঠানৰ মুখ্য বিজ্ঞানী ড° সঞ্জয় কুমাৰ চেতিয়াই কয়— ‘আমি তেওঁলোকক পাৰ্যমানে সহায় কৰিবলৈ চেষ্টা কৰিছো। বীজ উৎপাদন যাতে এবিধ দুবিধ ধানতেই আৱদ্ধ হৈ নাথাকে তাত গুৰুত্ব দিছো। এফ পি চিৰ সৈতে জড়িত কৃষকসকলৰ উপৰি অঞ্চলটোৰ অন্য বহু কৃষকেও এতিয়া প্ৰামাণিকৃত বীজ উৎপাদন আৰম্ভ কৰিছে। সাধাৰণভাৱে ধানৰ খেতি কৰাৰ সলনি বীজ বিক্ৰী কৰি তেওঁলোক বেছি লাভৱান হৈছে’। কৃষক বিনন্দ কুমাৰ বৰুৱাই জনোৱা অনুসৰি পূৰ্বে তেওঁ ধান বিক্ৰী কৰি বছৰেকত ২০ হাজাৰ মান টকা পাইছিল। এতিয়া ধানৰ বীজ বিক্ৰী কৰি প্ৰায় ১ লাখ টকা লাভ কৰে। ৰূপকলীয়াৰ কৃষক শংকৰ ঠেঙালে এইবাৰ প্ৰথমবাৰৰ বাবে ৮ বিঘা মাটিত ৰঞ্জিত চাব -১ ৰ বীজ উৎপাদন কৰি ১৬০ মোন বীজ লাভ কৰিছে। মনকৰিবলগীয়া যে ধান গবেষণা প্ৰতিষ্ঠানৰ উদ্যোগত কৃষকসকলৰ বাবে আৰম্ভ কৰা বিভিন্ন কৃষি যন্ত্ৰপাতি কম পইচাত ভাৰালৈ লোৱা কাষ্টম হায়াৰিং চেণ্টাৰৰ বাবেই কৃষকসকলৰ উৎপাদন ব্যয় বহু পৰিমাণে হ্ৰাস পাইছে। এম এছ স্বামীনাথন ৰিচাৰ্চ ফাউণ্ডেশ্যনৰ উন্নয়ন সমন্বয়ক পম্পী দত্তই কয়— ২০১৯ চনত আৰম্ভ হোৱা কাষ্টম হায়াৰিং চেণ্টাৰটোৰ পৰা এতিয়া ৪০০জন কৃষকে বিভিন্ন যন্ত্ৰপাতি ভাৰালৈ লয়। ২০২১ চনত তেওঁলোকে সকলো খৰচ বাদ দি ২.১২ লাখ টকা লাভ কৰিছে। শালি ধানৰ বতৰত অসমত ১৬ হাজাৰ মে:টন ধানৰ বীজৰ প্ৰয়োজন হয় যদিও অসমত মাত্ৰ ৭ হাজাৰ মেঃ টন মানহে বীজ উৎপাদন হয়। বাকীখিনি আহে বহিঃৰাজ্যৰ পৰা। এতেকে বীজ উৎপাদনত স্বাৱলম্বী হ’বলৈ অসমৰ যথেষ্ট কৰণীয় আছে। আনহাতে অসম ধান গবেষণা প্ৰতিষ্ঠানে উদ্ভাৱন কৰি উলিওৱা ‘লাৱন্য’ জাতৰ ধানৰ উৎপাদনতো গুৰুত্ব দিছে অসম কৃষি বিশ্ববিদ্যালয়ৰ অন্তৰ্গত প্ৰতিষ্ঠানটোৱে। লাবণ্য মধুমেহ ৰোগীৰ বাবে উপকাৰী, অধিক পৰিমাণে প্ৰ’টিন, আইৰণ আছে। লাবণ্য এণ্টি অক্সিডেণ্ট গুণ বিশিষ্টও। মেৰাপানীৰ ওচৰৰ ২ আৰু ৩ নম্বৰ গমাৰিগুৰিৰ ২৭ জন কৃষকে লাৱন্য জাতৰ ধানৰ খেতি কৰি উৎপাদন কৰা ধানৰ ৭০০ কুইণ্টল অসম ধান গবেষণা প্ৰতিষ্ঠানে প্ৰতি কিলোগ্ৰামত ৩০ টকাকৈ ক্ৰয় কৰিব।

Scanned by CamScanner

DAINIK ASAM, Guwahati, Thursday, March 2, 2023

Scanned by CamScanner